# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2024
**Time :** 0705 Hrs

## *Assamese Morning Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - - -**

১। লোকসভা নিৰ্বাচনৰ ৫৪৩খন আসনৰ আটাইকেইখনৰে ফলাফল ঘোষণা কৰা হৈছে। সেই অনুসাৰে বিজেপি নেতৃত্বাধীন এন-ডি-এ মিত্ৰজোঁটে ২৯২খন আসন লাভ কৰিছে।

২। অসমৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৯খন আসনত আৰু এন ডি এ মিত্ৰজোঁটৰে অগপই বৰপেটা সমষ্টিত আৰু ইউ পি পি এলে কোকৰাঝাৰ সমষ্টিত জয়লাভ কৰিছে।

৩। বিজেপিয়ে ১৪৭জনীয়া ওড়িশা বিধানসভাৰ নিৰ্বাচনত ৭৮খন আসন লাভ কৰি একক সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছে।। ***আৰু***

৪। নেডাৰলেণ্ডছে যোৱা নিশা ডলাছত অনুষ্ঠিত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নেপালক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ ৫৪৩খন আসনৰ আটাইকেইখনৰে ফলাফল ঘোষণা কৰা হৈছে। সেই অনুসাৰে বিজেপি নেতৃত্বাধীন এন-ডি-এ মিত্ৰজোঁটে ২৯২খন আসন লাভ কৰিছে। আনহাতে, আই এন ডি আই মিত্ৰজোঁটে ২৩৩খন আসন লাভ কৰি দ্বিতীয় স্থানত আছে। অন্যান্যসকল ১৮খন আসনত জয়ী হৈছে।

বিজেপিয়ে অকলে ২৪০খন আসন লাভ কৰি সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত হৈছে। তেলেগু দেশমে ১৬ আৰু জে ডি ইউয়ে ১২খন আসন হস্তগত কৰিছে। কংগ্ৰেছে ৯৯খন আসন লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টীয়ে ৩৭খন, তৃণমূল কংগ্ৰেছে ২৯খন, ডি এম কে ২২খন শিৱসেনা উদ্ধৱ থাকৰে ৯খন, এন-চি-পি শাৰদ যাদৱ ৮খন, শিৱসেনা সিন্দে ৭খন, লোক জনশক্তি পাৰ্টী ৰামবিলাস ৫খন, আৰ জে ডি আৰু চি পি আই এমে ৪খনকৈ, আম আদমী পাৰ্টী আৰু ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগে ৩খনকৈ তথা জে ডি এছ, জনসেনা, চি পি আই, চি পি আই এম এল, ভি চি কে আৰু নেশ্যনেল কনফাৰেন্সে দুখনকৈ আসন লাভ কৰিছে।

এইবাৰৰ লোকসভা নিৰ্বাচনত জয়লাভ কৰা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত প্ৰধানমন্ত্ৰী তথা বিজেপি নেতা নৰেন্দ্ৰ মোডী বাৰানসীৰ পৰা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ গান্ধীনগৰৰ পৰা, ওম বিৰলা কোটাৰ পৰা, অৰ্জুন ৰাম মেঘৱাল বিকানেৰৰ পৰা, গজেন্দ্ৰ সিং শ্বেখাৱট যোধপুৰৰ পৰা, সৰ্বানন্দ সোণোৱাল ডিব্ৰুগড়ৰ পৰা, জ্যোতিৰাদিত্য সিন্ধিয়া গুণাৰ পৰা, সমাজবাদী পাৰ্টীৰ নেত্ৰী ডিম্পল যাদৱ মেইনপুৰীৰ পৰা, কংগ্ৰেছৰ ৰাহুল গান্ধী উত্তৰ প্ৰদেশৰ ৰায়বেৰেলি আৰু কেৰালাৰ ৱায়নাডৰ পৰা আৰু আছানছ'লৰ পৰা তৃণমূল কংগ্ৰেছৰ শত্ৰুঘ্ন

সিনহা অন্যতম। আনহাতে, নিৰ্বাচনত পৰাজয়বৰণ কৰা বিশিষ্ট প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন মুণ্ডা, স্মৃতি ইৰাণী, এন চি পি নেতা ওমৰ আব্দুল্লাহ আৰু পি ডি পিৰ নেত্ৰী মেহবুবা মুফ্‌টি আছে।

উত্তৰ প্ৰদেশৰ ৮০খন আসনৰ ভিতৰত সমাজবাদী পাৰ্টীয়ে ৩৭খন আৰু বিজেপিয়ে ৩৩খন আসন হস্তগত কৰিছে। কংগ্ৰেছে ৬খন আৰু ৰাষ্ট্ৰীয় লোক দলে দুখন আসন লাভ কৰিছে। এ ডি এ এল আৰু এ এছ্ পি কে আৰ এ একোখনকৈ আসন লাভ কৰিছে। এইবাৰৰ নিৰ্বাচনত বহুজন সমাজ পাৰ্টীৰ এগৰাকী প্ৰাৰ্থীও জয়ী হোৱা নাই।

একেদৰে বিহাৰত ৪০খন আসনৰ আটাইকেইখনৰে ফলাফল ঘোষণা কৰা হৈছে। বিজেপি আৰু জে ডি ইউয়ে ১২খনকৈ আসন লাভ কৰিছে। লোক জনশক্তি পাৰ্টী ৰামবিলাসে পাঁচখন, আৰ জে ডি ৪খন, কংগ্ৰেছে ৩খন আৰু চি পি আই এম এলে দুখন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। নিৰ্দলীয় প্ৰাৰ্থী ৰাজেশ ৰঞ্জন ওৰফে পাপ্পু যাদৱ পুৰ্ণিয়া সমষ্টিৰ পৰা জয়ী হৈছে।

দিল্লীত বিজেপিয়ে সাতখন আসনৰ সাতোখনেই হস্তগত কৰিছে। পাঞ্জাবত ১৩খন আসনৰ ভিতৰত কংগ্ৰেছে ৭খন, আম আদমী পাৰ্টীয়ে ৩খন, শিৰোমণি আকালি দলে ১খন আৰু নিৰ্দলীয়ই দুখন আসন লাভ কৰিছে। হাৰিয়ানাত বিজেপি আৰু কংগ্ৰেছ উভয়ে ৫খনকৈ আসন লাভ কৰিছে। চণ্ডীগড়ৰ একমাত্ৰ আসনখনত কংগ্ৰেছ প্ৰাৰ্থী মনীষ তিৱাৰী জয়ী হৈছে।

জম্মু-কাশ্মীৰত পাঁচখন আসনৰ ভিতৰত বিজেপি আৰু নেচনেল কনফাৰেন্সে দুখনকৈ আসন লাভ কৰিছে। এখন আসনত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হৈছে। হিমাচল প্ৰদেশৰ চাৰিওখন আসনতে বিজেপিয়ে জয়লাভ কৰিছে। উত্তৰাখণ্ডতো বিজেপিয়ে পাঁচোখন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। ৰাজস্থানৰ ২৫খন আসনৰ ভিতৰত বিজেপিয়ে ১৪খন, কংগ্ৰেছে ৮খন আৰু চি পি আই এম, ৰাষ্ট্ৰীয় লোকতান্ত্ৰিক পাৰ্টী আৰু ভাৰত আদিবাসী পাৰ্টীয়ে এখনকৈ আসন লাভ কৰিছে।

গুজৰাটত বিজেপিয়ে ২৬খন আসনৰ ভিতৰত ২৫খনতে জয়লাভ কৰিছে। কংগ্ৰেছে এখন আসন লাভ কৰিছে।

মহাৰাষ্ট্ৰত বিজেপিয়ে ৪৮খন আসনৰ ভিতৰত ৯খনত, কংগ্ৰেছে ১৩খন, শিৱসেনা উদ্ধৱ গোটে ৯খনত, এন চি পি শাৰদ পাৱাৰ গোটে ৮খনত, শিৱসেনা সিন্ধে গোটে ৭খন আসন লাভ কৰিছে। মধ্যপ্ৰদেশত বিজেপিয়ে ২৯খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছে। ছত্তীশগড়ত বিজেপিয়ে ১০খন আৰু কংগ্ৰেছে ১খন আসন লাভ কৰিছে। ঝাৰখণ্ডত বিজেপিয়ে ১৪খন আসনৰ ৮খনত, ঝাৰখণ্ড মুক্তি মৰ্চাই তিনিখনত, কংগ্ৰেছে দুখনত আৰু এ জে এছ ইউয়ে এখনত জয়লাভ কৰিছে।

পশ্চিম বংগত তৃণমূল কংগ্ৰেছে ২৯খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যখনত বিজেপিয়ে ১২খন লাখ কৰিছে।

ooooo

অসমৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৯খন আসনত আৰু এন ডি এ মিত্ৰজোঁটৰে অগপই বৰপেটা সমষ্টিত আৰু ইউ পি পি এলে কোকৰাঝাৰ সমষ্টিত জয়লাভ কৰিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছে ৩ খন আসনত কংগ্ৰেছে জয়ী হৈছে।  ডিব্ৰুগড় সমষ্টিত বিজেপিৰ সৰ্বানন্দ সোণোৱালে বিৰোধী

ঐক্যমঞ্চৰ সমৰ্থিত অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈৰ বিৰুদ্ধে ২ লাখ ৭৯ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত জয়লাভ কৰে।

একেদৰে লখিমপুৰ সমষ্টিত প্ৰদান বৰুৱাই কংগ্ৰেছৰ উদয় শংকৰ শইকীয়াক, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছাই কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কিক, শিলচৰত পৰিমল শুক্লবৈদ্যই কংগ্ৰেছৰে সূৰ্যকান্ত সৰকাৰক, ডিফুত অমৰ সিং টিছ'ই নিৰ্দলীয় প্ৰাৰ্থী জে আই কাঠাৰক, গুৱাহাটীত বিজুলী কলিতা মেধিয়ে কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীক, কৰিমগঞ্জত কৃপানাথ মাল্লাই কংগ্ৰেছ প্ৰাৰ্থী হাফিজ ৰচিদ আহমেদ চৌধুৰীক আৰু দৰং-ওদালগুৰিত দিলীপ শইকীয়াই কংগ্ৰেছৰ মাধৱ ৰাজবংশীক পৰাস্ত কৰে।

ইপিনে কংগ্ৰেছে ধুবুৰী, যোৰহাট আৰু নগাঁও সমষ্টিত জয়লাভ কৰিছে। ধুবুৰী সমষ্টিত কংগ্ৰেছৰ ৰকিবুল হুছেইনে নিকটতম প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলৰ বিৰুদ্ধে ১০ লাখ ১২ হাজাৰৰো অধিক ভোটৰ বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। একেদৰে যোৰহাটত কংগ্ৰেছৰে গৌৰৱ গগৈয়ে নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ তপন গগৈক আৰু নগাঁও সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে বিজেপিৰ সুৰেশ বৰাক পৰাস্ত কৰিছে।

আনহাতে, কোকৰাঝাৰ সমষ্টিত ইউ পি পি এলৰ জয়ন্ত বসুমতাৰীয়ে বিপিএফৰ খাম্ফা বৰগয়াৰীৰ বিৰুদ্ধে ৫১ হাজাৰৰো অধিক ভোটত জয়লাভ কৰিছে।

ooooo

বিজেপিয়ে ওড়িশাৰ ১৪৭জনীয়া বিধানসভা নিৰ্বাচনত ৭৮খন আসন দখল কৰি একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। শাসনাধিষ্ঠিত বিজু জনতা দলে ৫১খন আসন লাভ কৰিছে। আনহাতে, কংগ্ৰেছে ১৪খন আৰু চি পি আই এমে এখন আসনত জয়ী হৈছে। নিৰ্দলীয় প্ৰাৰ্থীয়ে ৩খন আসন পাইছে।

ooooo

দেশৰ বিভিন্ন ৰাজ্যৰ ২৫খন বিধানসভা আসনৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছে। এই আসনৰ ১১খন বিজেপিয়ে, কংগ্ৰেছে ৭খন সমাজবাদী পাৰ্টী আৰু তৃণমূল কংগ্ৰেছে দুখনকৈ, চি পি আই (এম এল), জে এম এম আৰু বি এ পিয়ে এখনকৈ আসন লাভ কৰিছে। বিজেপিয়ে গুজৰাট ৫খন আৰু হাৰিয়ানাত এখন আসনত জয়লাভ কৰিছে। হিমাচল প্ৰদেশত বিজেপিয়ে দুখন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৪খন আসনত বিজয়ী হৈছে। বিহাৰৰ একমাত্ৰ আসনখন চি পি আই (এম এল)য়ে লাভ কৰিছে। ঝাৰখণ্ডত ঝাৰখণ্ড মুক্তি মৰ্চাই ১খন আৰু কৰ্ণাটকত কংগ্ৰেছে ১খন আসন দখল কৰিছে। ৰাজস্থানত ভাৰত আদিবাসী পাৰ্টীয়ে এখন আসন লাভ কৰিছে। কংগ্ৰেছে তামিলনাডু আৰু তেলেংগানাত এখনকৈ আসন লাভ কৰিছে। উত্তৰ প্ৰদেশত বিজেপিয়ে দুখন আৰু ত্ৰিপুৰাত এখন আসনত বিজয় সাব্যস্ত কৰিছে। আহনাতে, সমাজবাদী পাৰ্টীলৈ উত্তৰ প্ৰদেশত দুখন আসন লাভ কৰাৰ লগতে তৃণমূল কংগ্ৰেছে পশ্চিম বংগত দুখন আসনত জয়লাভ কৰিছে।

ooooo

অন্ধ্ৰ প্ৰদেশৰ ১৭৫জনীয়া বিধানসভা নিৰ্বাচনত তেলেগু দেশম পাৰ্টীয়ে ১৩৫খন আসনত বিজয় সাব্যস্ত কৰি সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। শাসনাধিষ্ঠিত YSRCPয়ে মাত্ৰ ১১খন আসন লাভ কৰিবলৈ সক্ষম হয়।

মুখ্যমন্ত্ৰী ওৱাই এছ্ জগন মহন ৰেড্ডীয়ে ৬১ হাজাৰ ভোটৰ ব্যৱধানত পুলিভেন্দুলা বিধানসভা আসনত জয়লাভ কৰে। জনসেনা পাৰ্টীয়ে ২১খন আসন লাভ কৰে। আনহাতে, বিজেপিয়ে ৮খন আসন দখল কৰে। তেলেগু দেশম পাৰ্টীৰ মুৰব্বী তথা অন্ধ্ৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে YSRCPৰ কে আৰ জে ভাৰমক ৪৮ হাজাৰ ভোটৰ ব্যৱধানত পৰাস্ত কৰি কুপ্পাম বিধানসভা আসনত বিজয় সাব্যস্ত কৰে।

ooooo

নেডাৰলেণ্ডছে যোৱা নিশা ডলাছত অনুষ্ঠিত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নেপালক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত নেপালে প্ৰথমে  বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৬ ৰাণ সংগ্ৰহ কৰে। নেডাৰলেণ্ডছৰ হৈ টিম প্ৰিংগল আৰু লোগান ৱেন বীকে তিনিটাকৈ উইকেট দখল কৰে। নেপালৰ হৈ অধিনায়ক ৰোহিতে ৩৭টা বলত ৩৫ ৰাণ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে ১৮ অভাৰ আৰু ৪টা বলত চাৰিটা উইকেটৰ বিনিময়ত ১০৯ ৰাণ কৰে। প্ৰিংগলক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড আৰু স্কটলেণ্ডৰ মাজৰ ব্ৰীজটাউন কেন্সিংটনৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। খেলখনত বৰষুণে বিঘিনি ঘটোৱাৰ সময়ত স্কটলেণ্ডে এটাও উইকেট নেহেৰুৱাকৈ ৯০ ৰাণ কৰি  খেলি আছিল।

প্ৰতিযোগিতাত ভাৰত আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আয়ৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত